অধ্যায় ১৪ ঃ শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি

- ১৪.৩.১ নাট্য সাহিত্য
- ১৪.৩.২ ৰামায়ণী সাহিত্য
- ১৪.৩.৩ মহাভাৰতীয় সাহিত্য
- ১৪.৩.৪ পুৰাণ সাহিত্য
- ১৪.৩.৫ তান্ত্রিক আৰু শাক্ত সাহিত্য
- ১৪.৩.৬ চুফী সাহিত্য

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব পাৰিব
- শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতিৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- শঙ্কৰোত্তৰ যুগৰ নাট্য সাহিত্য, ৰামায়ণী সাহিত্য, মহাভাৰতীয় সাহিত্য, পুৰাণ সাহিত্য, তান্ত্রিক আৰু শাক্ত সাহিত্যৰ লগতে চুফী সাহিত্যৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিব পাৰিব
- শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতিয়ে কিদৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে তাৰ পৰিচয় লাভ কৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা প্রথম পাঠ্যবিষয়ৰ অন্তর্গত এইটো চতুর্দশ অধ্যয়। অধ্যায়টিৰ শিৰোনাম 'শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি'। আপোনাৰ সুবিধার্থে এই অধ্যায়টিত শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতিৰ বিষয়ে সম্যক ধাৰণা দিবলৈ চেষ্টা কৰা হ'ব।আপুনি ইতিমধে বিভিন্ন তথ্যৰ পৰা এই কথা নিশ্চয় জানিবলৈ পাইছে যে শঙ্কৰোত্তৰ যুগতো ভালে সংখ্যক বৈষ্ণৱ সাহিত্য ৰচিত হৈছিল। শঙ্কৰোত্তৰ যুগৰ বহু

লেখকে তেওঁলোকৰ লেখনিৰ দ্বাৰা অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে বৈষ্ণৱ ধর্ম প্রচাৰৰ বাবে অহোপুৰুষার্থ কৰিছিল। তেওঁলোকে পূর্বসুৰী কবিসকলৰ আৰ্হি লৈ বৈষ্ণৱ সাহিত্য ৰচিছিল। শঙ্কৰোত্তৰ যুগৰ এগৰাকী শ্রেষ্ঠ লেখক হ'ল ভট্টদেৱ যিয়ে পোন প্রথমে গদ্যত সাহিত্য ৰচনা কৰিছিল। শঙ্কৰোত্তৰ যুগৰ বেছিভাগ কবি-লেখকসকলে বৈষ্ণৱ ধর্মপ্রচাৰৰ উদ্দেশ্য ভক্তিমূলক গ্রন্থ ৰচনা কৰিছিল যদিও আহোম ৰাজত্বৰ কালছোৱাত অন্যান্য সাহিতৰো সৃষ্টি হ'বলৈ ধৰে। আহোম ৰজাৰ পৃষ্ঠপোষকতাত বিশেষকৈ শাক্ত সাহিত্যই বিস্তৃতি লাভ কৰে। এই অধ্যায়টিয়ে আপোনাক শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্যৰাজিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাত সহায় কৰিব।

১৪.৩ শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি

শঙ্কৰোত্তৰ যুগটো সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক দিশৰ পৰা আছিল এক বর্ণাঢ্য যুগ। এই যুগটোত কাব্য, গীত, নাট আদি সাহিত্যৰ চর্চাৰ লগতে ব্যৱহাৰিক সাহিত্যৰ চর্চাও হৈছিল। ব্যৱহাৰিক সাহিত্য বুলিলে ব্যৱহাৰিক জীৱনৰ সৈতে জড়িত চিকিৎসা বিদ্যা, জ্যোতিষ, ছন্দ, স্মৃতি শাস্ত্র, দর্শন, আয়ুর্বেদ, ব্যাকৰণ, গণিত প্রভৃতিকো বুজায়। অসমীয়া আৰু সংস্কৃত উভয় ভাষাতে এই বিষয়ৰ পুথিসমূহ ৰচিত হৈছিল। মহেশ্বৰ নেওগৰ ভাষাত 'মেডিকেল লিটাৰেচাৰ' যেনেকৈ কোনো প্রকাৰ সাহিত্য নহয়, সাধাৰণ পক্ষত বিজ্ঞান আৰু বুৰঞ্জীও সাহিত্য নহয়, লাগিলে তাক পদ্য কৰিয়ে লিখা হওঁক।' এইবোৰ বিষয়ক সাহিত্যৰ অন্তর্ভুক্ত কৰা বিষয়লৈ মতভেদ থাকিলেও ভাষাগত শৈলীৰ দৃষ্টিকোণৰ পৰা ইয়াক বিচাৰ কৰিব পাৰি। এই সম্পর্কে বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে— 'বিজ্ঞানৰ বিষয়বস্তুৰ ব্যাখ্যাৰ নিমিত্তে উপযোগী পোনপটীয়া বাক্যৰীতিৰ ব্যৱহাৰ এই ৰচনাৱলীত আছে। সেই একে কাৰণেই অর্থৰ দুর্বোধ্য অথবা অর্থৰ অস্পষ্টতা দোষৰ পৰা এই গ্রন্থসমূহ ভালেখিনি মুক্ত। সাহিত্যিক সৌন্দর্য্য আৰু গদ্য ৰচনা কৌশলৰ কথা এৰিও অসমীয়া কথা সাহিত্যৰ বুৰঞ্জীত এই গ্রন্থৰাজিৰ বিশেষ স্থান আছে।'

এই যুগত সাহিত্যৰ যি কেইটা শাখা প্রধানকৈ চর্চিত হৈছিল, সেইসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

১৪.৩.১ নাট্য সাহিত্য

বৈষ্ণৱ ধর্ম প্রচাৰৰ উদ্দেশ্যে মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱে নাটকক উৎকৃষ্ট মাধ্যম হিচাপে লৈছিল। সেই একে উদ্দেশ্য আগত ৰাখি শঙ্কৰোত্তৰ কালৰ বৈষ্ণৱ সন্ত-মহন্তসকলেও নাট ৰচনা কৰিছিল। গুৰুসকলৰ তিথি আৰু ধর্মীয় উৎসৱত নাট্যাভিনয় কৰা এক পৰম্পৰা হৈ পৰিছিল। সত্র আৰু নামঘৰত পৰিবেশিত নাটসমূহে পৰৱর্তী কালত আহোম ৰাজসভাতো সমাদৰ লাভ কৰিছিল। শঙ্কৰোত্তৰ যুগৰ নাটসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে এই নাটসমূহত ব্যৱহৃত ভাষাই কৃত্রিম ব্রজাৱলীৰ পৰিৱর্তে ঘৰুৱা অসমীয়া ৰূপ লয়। তদুপৰি নাটৰ সংলাপ ছন্দোবদ্ধ ৰূপৰ সলনি অসমীয়া পদত ৰচিত হ'বলৈ ধৰে।

শঙ্কৰদেৱ-মাধৱদেৱৰ পিছত শঙ্কৰোত্তৰ যুগত নাট্য পৰম্পৰা অব্যাহত ৰাখে ক্ৰমে ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা, ভূষণ দ্বিজ, শ্ৰীৰাম আতা, যদুমণি, ৰামচন্দ্ৰ আতা, ৰামানন্দ কায়স্থ, ব্ৰহ্মানন্দ, জয়দেৱ, হৰিনাম আৰু নিত্যানন্দই।

ৰামচৰণ ঠাকুৰৰ *কংসবধ*, দৈত্যাৰি ঠাকুৰৰ *নৃসিংহ যাত্ৰা* আৰু *স্যমন্তক হৰণ* নাট কেইখনত শঙ্কৰদেৱৰ নাটৰ সকলো লক্ষণেই বিদ্যমান। দৈত্যাৰি ঠাকুৰে শঙ্কৰদেৱৰ *কীৰ্ত্তনৰ প্ৰহ্লাদৰ চৰিত্ৰ* আৰু *স্যমন্ত হৰণৰ* কাহিনীভাগক আধাৰ হিচাপে লৈছিল। ৰামচৰণ ঠাকুৰে দশম স্কন্ধৰ পৰা কাহিনীভাগ চয়ন কৰিছিল।

গোপাল আতাই *জন্মযাত্ৰা*, *নন্দোৎসৱ* আৰু *গোপী উদ্ধৱ সংবাদ* নামে তিনিখন নাট ৰচনা কৰিছিল। তেওঁৰ নাটকত পদ, ভটিমা, সূত্ৰ আৰু শ্লোকৰ প্ৰয়োগ দেখা যায়।

যদুমণিদেৱে *ফল্গুযাত্ৰা* নামে এখন নাট ৰচনা কৰিছিল।নাটখনিৰ বিষয়বস্তু *পদ্ম পুৰাণৰ পাতাল খণ্ড* আৰু *স্কন্ধ পুৰাণৰ* উৎকল খণ্ডত থকা ফল্গুৎসৱৰ সৈতে সাদৃশ্য দেখা যায়। কাহিনীভাগ মহাভাৰতৰ পৰা লোৱা হৈছে।

ৰামানন্দ কায়স্থৰ নামত পাঁচখন নাটক পোৱা গৈছে। সেয়া হ'ল— *ৰাম বিজয়*, *পৰশুৰামৰ মাতৃহত্যা*, *কৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণ*, *গ্ৰাহ গজেন্দ্ৰ উপাখ্যান* আৰু *লীলা মালা*। নাটকেইখন পু�ৰণি অসমীয়া ভাষাত ৰচিত।

ব্ৰহ্মানন্দই তিনিখন নাট ৰচনা কৰিছিল। *হৰমোহন*, *কালয়ৱন* আৰু *লক্ষণ বৰ্জন*। তিনিওখন নাট জামুগুৰি চেঁচা সত্ৰত সংৰক্ষিত।

হৰিৰামদেৱে *কংসবধ* আৰু *অজামিল উপাখ্যান* নামে দুখনি নাট ৰচনা কৰিছিল।

খৃষ্টীয় সপ্তদশ-অষ্টাদশ শতিকা হ'ল সত্ৰ আৰু বৈষ্ণৱ ধৰ্ম প্ৰসাৰৰ যুগ। বৈষ্ণৱ সন্তসকলে জনসাধাৰণক বৈষ্ণৱ ধৰ্মৰ প্ৰতি নাটকৰ মাধ্যমেৰে আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিছিল। গুৰুসকলৰ তিথি, জনমাষ্টমী, দৌলযাত্ৰা, সত্ৰাধিকাৰৰ অভিষেক উৎসৱ, আহোম ৰজাসকলৰ যুদ্ধ জয়ৰ আনন্দৰ বাবে নাটক অভিনীত হৈছিল। নাটসমূহৰ অভিনয়ৰ পৰিসৰ সত্ৰৰ পৰা ওলাই নামঘৰ আদিত বিভিন্ন উৎসৱত তথা বাৰ্ষিকভাৱে ভাওনা কৰাৰ পৰম্পৰা গঢ়ি উঠিছিল যি আজিও অব্যাহত আছে।

১৪.৩.২ ৰামায়ণী সাহিত্য

সপ্তদশ শতিকাত ৰামায়ণী সাহিত্যৰ ৰচক হিচাপে ৰঘুনাথ মহন্তৰ নাম উল্লেখ-যোগ্য। ৰঘুনাথ মহন্তৰ ৰচিত গ্ৰন্থ কেইখন হ'ল— *কথা ৰামায়ণ*, *অদ্ভুত ৰামায়ণ* আৰু *শত্ৰুঞ্জয়*। *কথা ৰামায়ণ* মাধৱ কন্দলি *ৰামায়ণৰ* গদ্য ৰূপ। ভট্টদেৱৰ হাতত জন্মলাভ কৰা অসমীয়া গদ্যই সৰল ৰূপ লয় ৰঘুনাথ মহন্তৰ হাতত।

সপ্তদশ শতিকাৰ কবি অনন্ত ঠাকুৰ আতাই চতুৰ্ভূজ ঠাকুৰৰ পত্নীৰ আজ্ঞানুসৰি নগাঁৱৰ মায়াঙত কালশিলা সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁ হৃদয়ানন্দ কায়স্থ বুলিও পৰিচিত।

তেওঁৰ দ্বাৰা ৰচিত দুখন পুথি হ'ল *শ্রীৰাম কীর্ত্তন* আৰু *প্রেমলতা*। কমলেশ্বৰ সিংহৰ দিনত শ্রীকান্ত সূর্য্যবিপ্রই *ৰামচৰিত মানস*ৰ অসমীয়া পদ ৰচনা কৰিছিল।

কছাৰী ৰজা হেড়ম্বেশ্বৰ জয়চন্দৰ আদেশত ভৱানীনাথ দ্বিজে *শ্রীৰামচন্দ্র অভিষেক* ৰচনা কৰিছিল।

ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণ*ৰ শেষ কিষ্কিন্ধ্যা কাণ্ডত শিষ্ট ভট্টচার্য্যৰ ভণিতা পোৱা যায়। ভট্টাচার্য্যই নিজে এই কাণ্ড ৰচনা কৰিছিল নে ৰঘুনাথ মহন্তক সহায় কৰিছিল জনা নাযায়।

১৪.৩.৩ মহাভাৰতীয় সাহিত্য

অসমীয়া সাহিত্যত মহাভাৰতীয় সাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে। বৈষ্ণৱ কবি অসমীয়া ব্যাস ৰাম সৰস্বতীয়ে সংস্কৃত মহাভাৰতৰ দহটা পর্ব— *আদি, সভা, বন, বিৰাট, উদ্যোগ, ভীষ্ম, দ্রোণ, কর্ণ, গদা* আৰু *শান্তি পর্ব* অসমীয়ালৈ অনুবাদ কৰিছিল। আহোম যুগৰ মহাভাৰতীয় কবিসকলৰ ভিতৰত লক্ষীনাথ দ্বিজ অগ্রণী আছিল। তেওঁ ৰুদ্রসিংহৰ ৰাজত্বকালত মহাভাৰতৰ *শান্তিপর্ব*অনুবাদ কৰিছিল। ভোলানাথ দ্বিজে শিৱসিংহ ৰজাৰ পৃষ্ঠাপোষকতাত *মহাভাৰত*ৰ *শল্যপর্ব*অনুবাদ কৰিছিল। ৰামানন্দ দ্বিজে ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱীৰ নির্দেশত *মহাভাৰত*ৰ *উদ্যোগপর্ব* অসমীয়ালৈ অনুবাদ কৰিছিল। এই যুগৰ শ্রেষ্ঠ কবি কবিৰাজ চক্রৱর্তীয়ে *মহাভাৰত*ৰ *আদিপর্ব্ব* আধাৰত *শকুন্তলা কাব্য* ৰচনা কৰিছিল।

মহাভাৰতৰ সভা আৰু *দ্রোণপর্ব্ব* অনুবাদত গোপীনাথ পাঠকে পিতৃ ৰাম সৰস্বতীক সহায় কৰিছিল আৰু মহাভাৰতৰ *স্বর্গাৰোহণ পর্ব্ব* পদ ভাঙনি কৰিছিল।

ৰাম সৰস্বতীৰ সহযোগী শঙ্কৰোত্তৰ যুগৰ আন এগৰাকী *মহাভাৰত*ৰ অনুবাদক হ'ল দামোদৰ দ্বিজ। এওঁ দৰঙী ৰজা মকৰধ্বজৰ অনুৰোধত *শল্যপর্ব* ৰচনা কৰিছিল। দৰঙী ৰাজ্যৰ তৃতীয়জন মহাভাৰতীয় কবি বিদ্যা পঞ্চাননে ধর্মনাৰায়ণ ৰজাৰ ৰাজত্বকালত *ভীষ্মপর্ব* ৰচনা কৰিছিল।

এই যুগৰ আন এগৰাকী কবি হ'ল দামোদৰ দাস। এওঁ মহাভাৰতৰ *শল্যপর্ব* আৰু *দ্রোণপর্ব* ৰচনা কৰিছিল।

মহাভাৰতীয় সাহিত্যলৈ শ্রীনাথ দ্বিজৰ অৱদান বহুল। তেওঁ *আদিপর্ব, দ্রৌপদী সয়ম্বৰ, দ্রোণপর্ব*অসমীয়া পদলৈ অনুবাদ কৰিছিল। কবিশেখৰে কোচৰজা বীৰনাৰায়ণৰ আদেশত *কিৰাতপর্ব*ৰচনা কৰিছিল। কবীন্দ্র পাত্র কোচৰজা লক্ষ্মীনাৰায়ণৰ মন্ত্রী আছিল। তেওঁ *মহাভাৰতৰ অষ্টাদশ পর্ব*অনুবাদ কৰিছিল।

উক্ত কবিসকলৰ উপৰি শঙ্কৰোত্তৰ কালত বহু কেই কবিয়ে *মহাভাৰত*ৰ অনুবাদ কৰি গৈছে। সেইসকলৰ ভিতৰত ৰুদ্রদেৱ আৰু ৰঘুৰাম দ্বিজৰ *আদিপর্ব*, জয়দেৱ, হৰেন্দ্র নাৰায়ণ আৰু ব্রজসুন্দৰৰ *সভাপর্ব*, কৌশৰি, বলৰাম দ্বিজ, বিদ্যানাথ, পৰমানন্দ মহীনাথৰ

বনপর্ব, দ্বিজ ৰঘুনাথ, শ্রীনাথ দেৱী নন্দনৰ *ভীষ্ম পর্ব*, মনোহৰ দাস কায়স্থ আৰু লক্ষ্মীৰামৰ *কর্ণ পর্ব*, ৰামানন্দৰ *শল্যপর্ব*, ৰামানন্দন আৰু বৈদ্যনাথৰ *সদাপর্ব*, দ্বিজ ৰঘুনাথ, দ্বিজ বৈদ্যনাথৰ *শান্তিপর্ব*, মহীনাথ শর্মাৰ *অশ্বমেধ পর্ব*, মাধৱচন্দ্রৰ *স্বর্গাৰোহণ পর্ব* আদি উল্লেখযোগ্য।

১৪.৩.৪ পুৰাণ সাহিত্য

শঙ্কৰোত্তৰ যুগত *ভাগৱত পুৰাণ* বৈষ্ণৱ সন্ত মহন্তসকলৰ প্রধান ধর্ম শাস্ত্র হিচাপে পৰিগণিত হয়। পিছলৈ অন্যান্য *পুৰাণ*সমূহো এই যুগত অনূদিত হ'বলৈ ধৰে। *পুৰাণ*বোৰ বিভিন্ন দেৱতাৰ মহিমা, পূজাবিধান, উপাসনাৰ ফল প্রদর্শন কৰিবলৈ ৰচনা কৰা হৈছিল।

ৰাম সৰস্বতীৰ পুত্র বুলি পৰিচয় দিয়া কলাপচন্দ্র দ্বিজে *পুৰাণ*ৰ কথা লৈ *ৰাধা চৰিত্র* ৰচনা কৰে। তেওঁ নৰনাৰায়ণ ৰজাৰ অনুপ্রেৰণাত *ভাগৱত*ৰ চতুর্থ স্কন্ধৰ আংশিক পদ ভাঙনি কৰে। অৱশ্যে *ভাগৱত*ৰ ভাঙনি কৰা আৰু *ৰাধা চৰিত্র* ৰচনা কৰা কলাপচন্দ্র একেজন নে বেলেগ সঠিককৈ কোৱা টান।

অনিৰুদ্ধ কায়স্থই *ভাগৱত পুৰাণ*ৰ দ্বিতীয় আৰু পঞ্চম স্কন্ধৰ অনুবাদ কৰে। কোচৰজা ৰঘুদেৱৰ প্রেৰণাতে তেওঁ পঞ্চম স্কন্ধ *ভাগৱত* ৰচনা কৰে। বিষ্ণু ভাৰতীয়ে *ভাগৱত পুৰাণ*ৰ *চতুর্থ স্কন্ধ*ৰ বিষয়বস্তু চয়ন কৰি *ধ্রুৱ চৰিত্র* আৰু *ভাগৱত ৰত্ন* নামে দুখনি পুথি ৰচনা কৰে। *ভাগৱত ৰত্ন* গ্রন্থখনিত শ্রীধৰ স্বামীৰ টীকা মাহাত্ম্য প্রকাশ কৰি ঋণ স্বীকাৰ কৰিছে।

শঙ্কৰোত্তৰ যুগৰ এগৰাকী উল্লেখনীয় *পুৰাণ* অনুবাদক হ'ল গোপালচৰণ দ্বিজ। তেওঁ চাৰিখন *পুৰাণ*ৰ পদ ৰচনা কৰে। *ভাগৱত*ৰ তৃতীয় স্কন্ধ, সপ্তম স্কন্ধ, অষ্টম স্কন্ধ আৰু হৰিবংশৰ কিছু অংশ। তৃতীয় স্কন্ধৰ *সাংখ্য দর্শন, সৃষ্টিতত্ত্ব, মৈত্রেয় বিদুৰ সংবাদ, বিভিন্ন সৃষ্টি, ৰৰাহ নৃসিংহ অৱতাৰ কথা* আদিৰ অনুবাদ সফলভাৱে কৰিছে। তেওঁ অষ্টম স্কন্ধৰ গ্রাহ *গজেন্দ্র উপাখ্যান* আৰু *অমৃত মন্থন*ৰ বিৱৰণৰ অসমীয়া ৰূপ দিছে।

কেশৱ কায়স্থই *ভাগৱত পুৰাণ*ৰ *সপ্তম, অষ্টম*, আৰু *নৱম স্কন্ধ* অনুবাদ কৰিছে। *সপ্তম স্কন্ধ*ত হিৰণ্যকশিপু আৰু প্র !াদৰ কাহিনী, *অষ্টম স্কন্ধ*ত মৎস্য অৱতাৰৰ বিৱৰণ আৰু *নৱম স্কন্ধ*ত সুকন্যাৰ আখ্যান, দুর্বাশা অম্বৰীশৰ কথা, ইক্ষ্বাকু বংশৰ কাহিনী, যযাতি দেৱযানী আদি ভালেখিনি কাহিনী পোৱা যায়।

হৰিদাস পাঠকে *ভাগৱত পুৰাণ*ৰ তৃতীয় আৰু পঞ্চম স্কন্ধ ত্রিপদী ছন্দত অনুবাদ কৰে। বলোৰাম দ্বিজে *ব্রহ্মবৈৱর্ত্য পুৰাণ*ৰ অনুবাদ কৰিছিল। তেওঁ এই *পুৰাণ*ৰ *কৃষ্ণ জন্মখণ্ড*ৰ একাংশ পদ ৰচনা কৰিছিল। জয়ৰাম দাসে *স্কন্ধ পুৰাণ* আৰু *কালিক পুৰাণ*ৰ আলমত *শীতলা পদ* ৰচনা কৰিছিল। এইখন এখনি ক্ষুদ্র পাঁচালী কাব্য।

আহোম ৰজাৰ পৃষ্ঠপোষকতাত ভালেখিনি পুৰাণ সাহিত্য অনূদিত হৈছিল। শিৱসিংহৰ পৃষ্ঠপোষকতাত কবিচন্দ্র দ্বিজে *ধর্ম পুৰাণ* ৰচনা কৰে। ৰাজেশ্বৰ সিংহৰ

পৃষ্ঠপোষকতাত ৰুচিনাথ কন্দলিয়ে *ব্ৰহ্মবৈৱৰ্ত্যপুৰাণৰ প্ৰকৃতিখণ্ড*, *কালিকা পুৰাণ*, *বামন পুৰাণৰ* বিষয়বস্তুৰে *চণ্ডীপদ* ৰচনা কৰে। বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচার্যই *হৰিবংশ পদ* ৰচনা কৰে আৰু দুর্গেশ্বৰ দ্বিজে *ব্ৰহ্মবৈৱৰ্ত্যপুৰাণৰ প্ৰকৃতিখণ্ডৰ* পদ কৰে, তাৰে *শঙ্খচূড় বধ* পর্য্যন্ত পুথিখনত পোৱা গৈছে।

কোচ ৰাজসভাতো *পুৰাণৰ* অনুবাদ বহুল পৰিমাণে হৈছিল। শিৱেন্দ্ৰ নাৰায়ণৰ পৃষ্ঠপোষকতাত দ্বিজ বৈদ্যনাথৰ *ব্ৰহ্মবৈৱৰ্ত্যপুৰাণ* আৰু *শিৱ পুৰাণ*, ৰিপুঞ্জয়ৰ *ব্ৰহ্মবৈৱৰ্ত্য পুৰাণ (ব্ৰহ্মখণ্ড)* আৰু *পদ্মপুৰাণ (ক্ৰিয়া-যোগসাৰ)*, দ্বিজ ৰামানন্দৰ *ধর্ম পুৰাণ (স্যমন্তক হৰণ)* আৰু *নৃসিংহ পুৰাণ*, পৰমানন্দৰ *স্কন্ধ পুৰাণ (কাশীখণ্ড)*, মহীনাথ শর্মাৰ *মার্কণ্ডেয় পুৰাণ (দেৱী সপ্তশতী)*, হৰেন্দ্ৰ নাৰায়ণ ৰজাৰ *স্কন্ধ পুৰাণ (ব্ৰহ্মোত্তৰ খণ্ড)*, *ক্ৰিয়া যোগসাৰ* আৰু *বৃহদ্ধর্ম পুৰাণ* আদি উল্লেখযোগ্য অনুবাদ।

১৪.৩.৫ তান্ত্ৰিক আৰু শাক্ত সাহিত্য

তান্ত্ৰিক সাধনৰ কেন্দ্ৰ তথা শক্তি উপাসনাৰ স্থান হিচাপে কামৰূপ কামাখ্যা ধামক উপযুক্ত স্থান হিচাপে বিবেচনা কৰি আহিছে। ভাৰতবর্ষৰ বিভিন্ন স্থানৰ পৰা বহু সাধকে ইয়ালৈ আহি সাধনা কৰিছিল। শক্তিৰ মাহাত্ম্য, সাধন প্ৰণালী, দার্শনিক তত্ত্ব আদিবোৰৰ সৈতে শক্তিবাদ প্ৰতিষ্ঠা কৰিবলৈ *কালিকা পুৰাণ*, *যোগিনী তন্ত্ৰ* আদি কিছুমান গ্ৰন্থ সংস্কৃত ভাষাত এইখন ৰাজ্যতে ৰচিত হৈছিল। খৃষ্টীয় পঞ্চদশ ষোড়শ শতিকাত মনসা কবিসকলে এই বিষয়ত কাব্য ৰচনা কৰি গৈছে, পৰৱর্তী কালত সেই পৰম্পৰা ৰক্ষা হোৱা নাই। পণ্ডিতসকলে ইয়াৰ কাৰণ তিনিটা বুলি দেখুৱাইছে— সাধনা গূহ্যতা, কামাখ্যাৰ প্ৰতি অসমীয়াৰ আকর্ষণৰ শিথিলতা আৰু শঙ্কৰদেৱৰ বৈষ্ণৱ ধর্মৰ প্ৰচাৰ বাহুল্যই অসমত শক্তিবাদৰ প্ৰভাৱ কমাইছিল।

শাক্ত সাহিত্যৰ প্ৰাচীন ইতিহাসৰ মধ্যযুগীয় ক্ষীণ প্ৰভাৱ পৰা গতিয়ে আহোম ৰাজত্বৰ শেষৰ ফালে কিছু পৰিমাণে সক্ৰিয় হৈ উঠে। স্বর্গদেউ ৰুদ্ৰসিংহই আনুষ্ঠানিকভাৱে শক্তি ধর্ম গ্ৰহণ কৰিব নোৱাৰিলে। তৎসত্ত্বেও তেওঁৰ এই ধর্মৰ প্ৰতি গভীৰ অনুৰাগ আছিল। তেওঁৰ পুত্ৰ শিৱসিংহৰ লগতে অন্যান্য ৰজাসকলেও আনুষ্ঠানিকভাৱে শাক্ত ধর্ম গ্ৰহণ কৰে আৰু শাক্ত সাহিত্য ৰচনাৰ ব্যৱস্থা কৰে। কোনো কোনোৱে নিজেও ৰচনা কৰিছিল। সংস্কৃত শাক্ত গ্ৰন্থৰ অসমীয়ালৈ অনুবাদ কৰা সকলৰ ভিতৰত পীতাম্বৰ দ্বিজে পোন প্ৰথমে *মার্কণ্ডেয় পুৰাণৰ* অন্তর্গত *শ্ৰীশ্ৰীচণ্ডীখণ্ডৰ* কাব্যনুবাদ কৰিছে। *শ্ৰীশ্ৰীচণ্ডীৰ* বিশেষকৈ অসুৰ বধ আখ্যানৰ বর্ণনাবোৰত কবিৰ প্ৰতিভা পৰিলক্ষিত হয়।

শ্ৰীশ্ৰীচণ্ডীৰ অসমীয়া পদ ৰচোতাৰ ভিতৰত উল্লেখযোগ্য হ'ল শিৱ নাথ দ্বিজ। তেওঁৰ ঘৰ কামৰূপৰ ছয়গাঁও অঞ্চলত আৰু তেওঁৰ পিতৃৰ নাম হ'ল লক্ষীপতি। শিৱনাথ দ্বিজে ১৬৬৭ শকত *শ্ৰীশ্ৰীচণ্ডীৰ* পদানুবাদ কৰে। ইয়াত তিনিটা আখ্যান বর্ণিত হৈছে— *মধুকৈটভ বধ*, *মহিষাসুৰ বধ* আৰু *শুম্ভ-নিশুম্ভ বধ*।

শাক্ত সাহিত্যৰ ৰচক হিচাপে প্রসিদ্ধি লাভ কৰা অন্যতম কবি হ'ল অনন্ত আচার্য্য। আহোম স্বর্গদেউ শিৱসিংহ আৰু তেওঁৰ পটেশ্বৰী ফুলেশ্বৰীৰ আজ্ঞানুসৰি শঙ্কৰাচার্য্যৰ *সৌন্দর্য্য লহৰী* নামৰ দীঘলীয়া স্তোত্রৰ অসমীয়া ভাঙনি কৰে আৰু নাম থয় *আনন্দ লহৰী*। মূল স্তোত্রত ৪১টা শ্লোক আছে। কবিগৰাকীয়ে ইয়াৰ মুক্ত অনুবাদ কৰিছে। দার্শনিক ভাব আৰু গূঢ়ার্থ প্রকাশৰ ক্ষেত্রত কবি গৰাকীৰ প্রতিভা লক্ষণীয়। কাব্যকৃতিৰ মাজে মাজে অনন্ত আচার্য্যই ৰজা শিৱসিংহ আৰু ৰাণী প্রমথেশ্বৰীৰ (ফুলেশ্বৰীৰ) প্রশস্তি গাইছে।

*শ্রীশ্রীচণ্ডী*ৰ অনুবাদক হিচাপে ৰুচিনাথ কন্দলীয়ে বিশেষ খ্যাতি লাভ কৰিছে। ৰুচিনাথৰ *শ্রীশ্রীচণ্ডী*ৰ মূল *চণ্ডীখণ্ড* বা *দেৱী মাহাত্ম্য*ৰ অনুবাদৰ লগতে আন *পুৰাণ*ৰ অন্তর্গত শক্তি মাহাত্ম্য প্রকাশ কথাও সংযোগ কৰিছে। *কালিকা পুৰাণ, বামন পুৰাণ* আৰু *ব্রহ্মবৈৱর্ত্য পুৰাণ*ৰপৰা দেৱীৰ বিভিন্ন তাৎপর্যসূচক কথা সংযোগ কৰিছে। উগ্রচণ্ডা, ভদ্রকালী আৰু দশভূজা দুর্গা ৰূপে দেৱীৰ তিনি জন্মৰ কথা আৰু দেৱীয়ে এই তিনি জন্মত মহিষাসুৰকো তেওঁৰ তিনিটা জন্মত তিনিবাৰ বধ কৰা দীঘলীয়া আখ্যান *কালিকা পুৰাণ*ৰ পৰা ৰুচিনাথে তেওঁৰ গ্রন্থত সন্নিৱিষ্ট কৰিছে। ৰম্ভাসুৰৰ তপস্যা, শিৱৰপৰা তেওঁৰ ৰৰলাভ, মহিষাসুৰৰ জন্ম, শুম্ভ-নিশুম্ভ আৰু নমৰ ৰক্তবীজৰ আখ্যান *বামন পুৰাণ*ৰ পৰা সংগৃহীত। *শ্রীশ্রীচণ্ডী*ৰ সুৰথৰ পূর্বপুৰুষসকলৰ পৰিচয়মূলক কথাখিনি *ব্রহ্মবৈৱর্ত্য পুৰাণ*ৰ পৰা কবিয়ে সংগ্রহ কৰিছে। তেনেদৰে ধর্মপক্ষী চাৰিটাৰ আখ্যানভাগ *মার্কণ্ডেয় পুৰাণ*ৰ পৰা ৰুচিনাথে গ্রহণ কৰিছে। ৰুচিনাথ কন্দলিয়ে কোনো কোনো অংশ মূলৰ দৰে, কোনো কোনো অংশ বিস্তৃত আৰু কিছু অংশ সংক্ষিপ্ত কৰিছে।

অসমীয়া শাক্ত সাহিত্যৰ আন এগৰাকী ৰচক হ'ল ৰঙ্গনাথ চক্রৱর্তী। তেওঁৰ পূর্বপুৰুষে কামৰূপলৈ আহি নীলাচলত বাস কৰিছিল। তেওঁ *মার্কণ্ডেয় চণ্ডী*ৰ অনুবাদ কৰিছে। তেওঁৰ অনুবাদ প্রধানভাৱে মূলানুগ আৰু ভাষাও লালিত্যপূর্ণ।

*যোগিনী তন্ত্র*ৰ অনুবাদক হ'ল ৰামচন্দ্র ৰৰপাত্র। ইয়াত কবিয়ে হয়গ্রীৱ মাধৱ মন্দিৰৰ উৎপত্তি, মাহাত্ম্য, পূজা-অর্চণা, ফলশ্রুতি আদিৰ বিস্তৃত বর্ণনা কৰিছে। তেওঁ গ্রন্থখনৰ ভাবানুবাদ কৰিছে।

গুপ্তমণি আৰু *গুপ্তসাৰ* হ'ল তান্ত্রিক গূঢ় সাধন সম্বন্ধীয় দুখন গ্রন্থ। দুয়োখন পুথিৰ ৰচক হ'ল মাধৱদেৱ। এইজন মাধৱদেৱ শঙ্কৰদেৱৰ শিষ্যজন নহয়। আনহাতে, *কালিকা পুৰাণ* নামৰ পদ পুথিখন সমগ্র *কালিকা পুৰাণ*ৰ অনুবাদ নহয়, হৰ-পার্বতী বিৱাহ খণ্ডৰ পদহে ইয়াত পোৱা যায়। পুথিখনৰ ৰচকৰ বিষয়ে জনা নাযায়। পুথিখনত অসমীয়া সমাজৰ বিয়াৰ লৌকিক প্রথা আৰু নীতি-নিয়ম আদিৰ সুন্দৰ বর্ণনা পোৱা যায়। *শীতলা কাব্য* নামৰ সৰু পদ পুথিখনৰ ৰচক হ'ল জয়ৰাম দাস। ইয়াৰ বিষয়বস্তু *স্কন্ধ পুৰাণ* আৰু *কালিকা পুৰাণ*ৰ পৰা লোৱা হৈছে।

১৪.৩.৬ চুফী সাহিত্য

ষোড়শ শতিকাত হিন্দী সাহিত্যত প্ৰেম গাঁথা ৰচিত হ'বলৈ ধৰে। চিশতী বংশৰ শেখ বুৰহানৰ শিষ্য কুতুবনে অৱধী ভাষাত চৌপাই দোহা ছন্দত ৰচনা কৰা *মৃগাৱতী* এখন বৃহৎ গ্ৰন্থ। এই গ্ৰন্থখনৰ লগত দ্বিজ ৰামৰ অসমীয়া *মৃগাৱতী চৰিত্ৰ*ৰ কাহিনীৰ লগত বহুখিনি মিল আছে। কিন্তু কুতুবনৰ পৰাই অসমীয়া কবিজনে বিষয়বস্তু গ্ৰহণ কৰা নাই। *মৃগাৱতী চৰিত্ৰ* বা *চাহাপৰী উপাখ্যান*ত দ্বিজ ৰামে অসমীয়া বৈষ্ণৱ কবিতাৰ আদৰ্শত প্ৰেম গাঁথাটি ৰচনা কৰিছে। ইয়াত মানৱ প্ৰেমৰ অভিব্যক্তি দেখুৱাইছে, মূল চুফীবাদৰ প্ৰেম-গাঁথাক ৰূপকৰ চলেৰে ব্যক্ত কৰা নাই। কাব্যখনত চুফী কাব্যৰ আদৰ্শও প্ৰকাশ পোৱা নাই, লগতে বৈষ্ণৱ কাব্যৰ হৰিভক্তিৰ আদৰ্শও গুৰুত্ব পোৱা নাই। কাহিনীৰ বিকাশত মাজে মাজে আৰবীয় উপন্যাসৰ প্ৰভাৱ পৰা দেখা যায়। কাব্যখনত কাহিনীয়ে প্ৰাধান্য লাভ কৰিছে।

উত্তৰ ভাৰতৰ বিভিন্ন ভাষাত *মধুমালতী* নামে প্ৰেম কাব্য বিভিন্নজনে ৰচনা কৰিছে। অসমীয়া *মধুমালতী*ৰ লেখকৰ নাম জনা নাযায়। এই প্ৰেম কাব্যখনত কাহিনীয়ে প্ৰাধান্য পাইছে, ধৰ্মক প্ৰাসংগিভাৱেহে উপস্থাপিত কৰা হৈছে। কাব্যখনত চুফী কাব্যৰ আদৰ্শ ব্যক্ত হোৱা নাই। কবিয়ে সমগ্ৰ বিষয়টি এক ভাগৱতী তথা পৌৰাণিক পৰিৱেশ আশ্ৰিত কৰি তুলিছে।

কুতুবনৰ *মৃগাৱতী*ৰ অনুবাদ নহ'লেও ইয়াৰ লগত বহুখিনি সাদৃশ্য থকা প্ৰেম গ্ৰন্থ এখন হ'ল দ্বিজ পশুপতিৰ চন্দ্ৰাৱলী বিশ্বকেতু।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শঙ্কৰোত্তৰ যুগৰ নাট্য সাহিত্যৰ বিষয়ে এটি টোকা লিখক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ২ঃ শঙ্কৰোত্তৰ যুগৰ মহাভাৰতীয় সাহিত্যত কি কি বিষয় অন্তৰ্ভূক্ত হৈছে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৩ ঃ শঙ্কৰোত্তৰ যুগৰ ৰামায়ণী সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ লিখক। (২৫০টা শব্দৰ ভিতৰত লিখক)



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ মাধ্যমেদি শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্যৰ বিষয়ে লেখ পোৱা হ'ল।

- শঙ্কৰোত্তৰ যুগত পল্লৱিত হোৱা তান্ত্রিক সাহিত্যৰ থুলমূল লেখ এই আলোচনাত আগবঢ়োৱা হ'ল।
- শঙ্কৰোত্তৰ যুগত ৰচিত হোৱা তান্ত্রিক আৰু শাক্ত সাহিত্যৰাজিৰ বিবিধ দিশৰ বিষয়ে পৰিচয় লাভ কৰিলে।
- চুফী সাহিত্যই শঙ্কৰোত্তৰ যুগৰ কোন কেইগৰাকী কবিৰ ৰচনাক প্রভাৱিত কৰিছিল তাৰ লেখ পোৱা হ'ল।



১৪.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) নাথ, প্রফুল্ল কুমাৰ (২০০৯), *পুৰণি অসমীয়া সাহিত্যৰ ইতিহাস*, গুৱাহাটী ঃ বুকলেণ্ড।

২) নেওগ, ডিম্বেশ্বৰ (১৯৬৪), নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, গুৱাহাটী ঃ শুৱনী প্রকাশ।

৩) নেওগ, মহেশ্বৰ (১৯৮৩), *গুৰু চৰিতৰ ইতিকথা*, অসম সাহিত্য সভা।

৪) নেওগ, মহেশ্বৰ (১৯৯৯), (সম্পা.) *গুৰু চৰিত কথা*, গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

৫) নেওগ, মহেশ্বৰ (২০১০), *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) বর্মন, শিৱনাথ (১৯৯৭), (সম্পা.), *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (২য় খণ্ড), গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৭) মহন্ত, কেশদা (১৯৮৪), *অসমীয়া ৰামায়ণী সাহিত্য*, যোৰহাট।

৮) লেখাৰু, উপেন্দ্র চন্দ্র (১৯৪৮), *অসমীয়া ৰামায়ণ সাহিত্য*, গুৱাহাটী ঃ দত্তবৰুৱা কোম্পানী।

৯) লেখাৰু, উপেন্দ্র চন্দ্র (১৯৮৭), (সম্পা.) *কথা গুৰু চৰিত*, গুৱাহাটী ঃ দত্তবৰুৱা কোম্পানী।

১০) শর্মা, হেমন্ত কুমাৰ (১৯৮৭), *অসমীয়া সাহিত্যত দৃষ্টিপাত*, গুৱাহাটী।

১১) শর্মা, নবীন চন্দ্র (১৯৭৩), *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১২) শর্মা, সত্যেন্দ্রনাথ (১৯৮১), *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী ঃ বাণী প্রকাশ।

১৩) শর্মা দলৈ, হৰিনাথ (১৯৯৩), *অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য*, নলবাৰী ঃ পদ্মপ্রিয়া লাইব্রেৰী।

১৪) শর্মা দলৈ হৰিনাথ (২০০০), *অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস*, নলবাৰী ঃ পদ্মপ্রিয়া লাইব্রেৰী।



১৪.৫ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ শঙ্কৰোত্তৰ যুগত নাট ৰচনাৰ উদ্দেশ্যৰ বিষয়ে দুআষাৰ... ...ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা... ...আদিয়ে ৰচনা কৰা নাটৰ লেখ দিব।

২নং প্রশ্নৰ উত্তৰ ঃ মহাভাৰতীয় সাহিত্যৰ চমু পৰিচয়... ...কোন কেইগৰাকী কবিয়ে কি ৰচনা কৰিছিল তাক লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰামায়ণী সাহিত্যৰ চমু পৰিচয়... ...ৰামায়ণী অনুবাদ সাহিত্যৰ বিষয়ে এটি লেখ আগবঢ়াব।

১৪.৬ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ শঙ্কৰোত্তৰ যুগৰ ৰচনাৱলীত কিয় বৈচিত্র্যৰ অভাৱ পৰিলক্ষিত হয়?

প্রশ্ন ২ ঃ শঙ্কৰোত্তৰ যুগৰ মহাভাৰতীয় সাহিত্যৰ অনুবাদ সম্পর্কে বিস্তৃতভাৱে লিখক।

প্রশ্ন ৩ ঃ শঙ্কৰোত্তৰ যুগৰ চুফী সাহিত্যৰ বিষয়ে এটি প্রবন্ধ লিখক।

প্রশ্ন ৪ ঃ তান্ত্রিক আৰু শাক্ত সাহিত্য অসমত কাৰ ৰাজত্ব কালত কেনেদৰে পল্লৱিত হৈছিল বিচাৰ কৰক।

প্রশ্ন ৫ ঃ চুফী সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***